# ECHO OF HIS CALL

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

**Vol. XXIII** YEAR OF OUR LORD JESUS CHRIST, AUGUST 2022 **No. 2**


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

### গীতমালা ১০৭:৩১-৪১

১। লোকবিলাকে যিহোৱাৰ দয়াৰ নিমিত্তে তেওঁৰ প্ৰশংসা কৰক, মনুষ্য সন্তানবিলাকলৈ কৰা তেওঁৰ আচৰিত কাৰ্য্যৰ নিমিত্তে তেওঁৰ প্ৰশংসা কৰক।

২। সিবিলাকে লোকবিলাকৰ সমাজৰ মাজতো তেওঁৰ গৌৰৱ কীৰ্ত্তন কৰক, বৃদ্ধবিলাকৰ সভাত তেওঁৰ প্ৰশংসা কৰক।

৩। তেওঁ নদীবোৰক অৰণ্য কৰে, আৰু জলৰ ভুমুকবোৰ ৰখা খৰাং ভূমিত পৰিণত কৰে।

৪। নিবাসীবিলাকৰ দুষ্টতাৰ নিমিত্তে তেওঁ ফলৱৰ্তী ভূমিকা লোণাময় মৰুভূমি কৰে।

৫। তেওঁ অৰণ্যক জলাহ কৰে, শুকান ভূমিক জলৰ ভূমিত পৰিণত কৰে।

৬। ক্ষুধাতুৰ লোকে যেন তাত বসতিৰ নিমিত্তে নগৰ স্থাপন কৰে।

৭। পথাৰত গুটি বয়, দ্ৰাক্ষালতা ৰোৱে আৰু তাৰ পৰা উৎপন্ন হোৱা ফল গোটাই, এই নিমিত্তে তেওঁ সিবিলাকক তাত নিবাস কৰায়।

৮। তেওঁ সিবিলাকক এনেকৈ আশীৰ্বাদ দিয়ে যে সিবিলাকে অতিশয় বৃদ্ধি পায় আৰু তেওঁ সিবিলাকৰ পশুবোৰক কমিব নিদিয়ে।

৯। আকৌ সিবিলাক উপদ্ৰৱ, দুখ আৰু শোকৰ দ্বাৰাই কমি, নীহ অৱস্থাত পতিত হয়।

১০। তেওঁ ডাঙৰীয়াবিলাকৰ ওপৰত অপমান বৰষায়, বাট নোহোৱা মৰুভূমিৰ মাজত সিবিলাকক ভ্ৰমণ কৰায়।

১১। কিন্তু তেওঁ দৰিদ্ৰক দুখৰ পৰা তুলি উচ্চপদত স্থাপন কৰে আৰু মেৰৰ জাকৰ নিচিনাকৈ তাৰ পৰিয়াল বৃদ্ধি কৰে।

# ঈশ্বৰৰ প্ৰকৃত সন্তানসকলৰ পৰিচয়সমূহ!

## THE IDENTITIES OF TRUE CHILDREN OF GOD!


**Pr. S. Sam Selva Raj**


পাছে যিহোৱাই তেওঁক ক'লে, "যি জনাই তোমাৰ অধিকাৰৰ অৰ্থে এই দেশ দিবলৈ, কলদীয়াহঁতৰ উৰ নগৰৰ পৰা তোমাক উলিয়াই আনিলে, সেই যিহোৱা ময়েই।"

তেতিয়া তেওঁ ক'লে, "হে প্ৰভু যিহোৱা, মই যে ইয়াৰ অধিকাৰী হ'ম, তাক কিহৰ দ্বাৰাই জানিম?" তাতে যিহোৱাই তেওঁক ক'লে, "তুমি এজনী তিনি বছৰীয়া চেউৰী গৰু, এজনী তিনি বছৰীয়া ছাগলী, এটা তিনি বছৰীয়া মতা মেৰ ছাগ, এটা কপৌ আৰু এটা পাৰ পোৱালী মোলৈ আনা।"

তেতিয়া তেওঁ সেই সকলোকে আনি সেইবোৰক দুফাল দুফালকৈ কাটি, ইফালৰ আগত সিফাল থ'লে; কিন্তু চৰাইবোৰ হ'লে দুফাল দুফাল নকৰিলে।

পাছে হিংসক পক্ষীবোৰ সেই মৰা পক্ষীবোৰৰ ওপৰত পৰিলত, অব্ৰাহামে সেইবোৰক খেদাই দিলে।

পাছে বেলি মাৰ যোৱাৰ সময়ত, অব্ৰাহামৰ দুৰ্ঘোৰ টোপনি আহিল আৰু দেখা ত্ৰাসত আৰু মহা অন্ধকাৰত তেওঁ মগ্ন হ'ল।

তেতিয়া তেওঁ অব্ৰাহামক ক'লে, "তোমাৰ সন্তানবিলাকে যে পৰদেশত প্ৰবাসী হৈ থাকি সিহঁতৰ বন্দী কাম কৰিব আৰু সিঁহতে চাৰিশ বছৰলৈকে সিবিলাকক নিকাৰ ভুঞ্জাব, ইয়াক নিশ্চয়ে জানিবা।"

কিন্তু সিবিলাকে যি জাতিৰ বন্দী কাম কৰিব, মই সেই জাতিৰেই সোধ-বিচাৰ কৰিম। পাছে সিবিলাকে অধিক সম্পত্তিৰে বাহিৰ হ'ব (আদি পুস্তক ১৫:৭-১৪)।

অব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰাত, সেয়ে তেওঁলৈ ধাৰ্মিকতা বুলি গণিত হ'ল (গালাতীয়া ৩:৬)।

ঈশ্বৰে অব্ৰাহামলৈ যি প্ৰতিজ্ঞা কৰিছিল সেই প্ৰতিজ্ঞা ৪৩০ বছৰৰ পাছত তেওঁৰ বংশলৈ পৰিপূৰ্ণ হৈছিল, যিজনে সেই প্ৰতিজ্ঞা কৰিছিল তেওঁ বিশ্বাসী আৰু এইয়ে নিশ্চয়ে পৰিপূৰ্ণ হ'ব। গতিকে, যেতিয়া আমি ঈশ্বৰক ভাৰষা কৰিম ধাৰ্মিকতালৈ গণিত হ'ম।

### ঈশ্বৰে আমাৰ পৰা কি বিচাৰে?

ঈশ্বৰে আমাক এক ডাঙৰ স্তৰলৈ আশীৰ্বাদ কৰিব বিচাৰে, যাৰ বাবে তেওঁ আমাক ভাৰষা আৰু বাধ্য হোৱাটো বিচাৰে। ঈশ্বৰে বিচৰা আমাৰ জ্ঞান অবৰ্ণনীয়। "ঈশ্বৰৰ জ্ঞান আৰু বুদ্ধিৰূপ ধন কেনে দ তেওঁ বিচাৰবোৰ বোধৰ কেনে অসাধ্য কিয়নো প্ৰভুৰ মন কোনে জানিলে? আৰু তেওঁৰ মন্ত্ৰীয়েই বা কোন হ'ল? নতুবা কোনে তেওঁক আগেয়ে দিলে যে তাৰ নিমিত্তে তেওঁক প্ৰতিদান কৰিব লাগে? কিয়নো সকলো বস্তু তেওঁৰ পৰা, তেওঁৰ দ্বাৰাই আৰু তেওঁৰ নিমিত্তেই হয়;


*৩ পৃষ্ঠাত চাওঁক*

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

ECHO OF HIS CALL 1969-2019 (ECHO GROUP)




## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

"কিয়নো এই ঈশ্বৰ অনন্তকাললৈকে আমাৰ ঈশ্বৰ,
তেওঁ মৃত্যুলৈকে আমাৰ পথদৰ্শক হ'ব" - গীতমালা ৪৮:১৪



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

CHIEF EDITOR
Angeline Selvakumari Henry, M.A., M.Ed.

MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.

ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager

EDITORIAL BOARD
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Rev. Dr. K.R. Rajasekaran
Dr. A. Richard Samuel, M.A., Ph.D.

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in

WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com

YOUTUBE CHANNEL
Echo of His Call

প্ৰিয় বন্ধুসকল,

পৃথিৱীৰ ত্ৰাণকৰ্তা আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ আচৰিত নামত শুভেচ্ছা জনাইছো।

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচয্যাৰ ওপৰত তেওঁৰ অসীম আশীৰ্বাদ থকাৰ বাবে আমি ঈশ্বৰক ধন্যবাদ জনাও। আৰু আমি প্ৰাৰ্থনা কৰো যাতে আপোনালোকে প্ৰচুৰ পৰিমাণে তেওঁৰ গৃহৰ পুষ্টিকৰ দ্ৰৱেৰে তৃপ্ত হ'ব (গীতমালা ৩৬:৮)।

আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু দয়াৰ দ্বাৰাই, আমি আমাৰ পৰিচয্যাৰ ৫৪ তম বৰ্ষত প্ৰৱেশ কৰি আছো। পৰিচয্যাত অতীত হৈ যোৱা বছৰবিলাকত প্ৰভুৰ সহায় আৰু দয়াৰ বাবে তেওঁক প্ৰশংসা কৰো। এই গুৰুত্বপূৰ্ণ সময়ত আমি সন্মানেৰে আমাৰ বাবে প্ৰাৰ্থনা কৰা, সহায় কৰা আৰু অনুকূল আৰু প্ৰতিকুল পৰিস্থিতিৰ সময়ত আমাৰ সৈতে থিয় দিয়া পৃথিৱীৰ সকলো বন্ধু আৰু অংশীদাৰসকলক সোঁৱৰণ কৰিছো আৰু স্বীকৃতি দিছো। আমি নিশ্চিত যে আমালৈ আপোনালোকৰ প্ৰেম আৰু দয়াৰ অবিহনে, আমাৰ পৰিচয্যাত এই স্তৰলৈকে পাব নোৱাৰিলোহেঁতেন।

এই জগত ত্যাগ কৰি মহিমাত ঈশ্বৰৰ ওচৰলৈ যোৱা আমাৰ সকলো প্ৰাক্তন সহকৰ্মীসকল যেনে -বাই জি. কামালাৰাত্মম আই. এ. এচ, ভাই ৰালেৰ ডাউচন, ভাই এচ. চি বোকল, ভাই জে. আৰ. সুন্দৰাৰাজ, ভাই জয়াকুমাৰ মহাৰাজ, ভাই ডি. ডব্লিউ দেবাকাম্থান, ভাই আৰ. ই. জেয়াৰাজ, ভাই জি. জেয়ানন্দা পৌলমণি আৰু ভাই মানুৱেল পৌলৰাজক আমি কৃতজ্ঞতাৰে সোঁৱৰিছো। কিয়নো এইসকল লোকে আমাৰ পৰিচয্যাত অশেষ সহায় কৰিছিল।

ভাৰতত তথা ওচৰ-চুবুৰীয়া দেশসমূহত আৰু অধিক মণ্ডলী স্থাপন কৰাৰ দ্বাৰাই আমাৰ পৰিচয্যাক বিস্তাৰ কৰিবলৈ আমি পৰিকল্পনা কৰি আছো। ৫৪ তম বৰ্ষৰ আমাৰ দৰ্শনৰ পৰিপূৰ্ণতাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আমি আপোনালোকক অনুৰোধ কৰিছো।

ক'ভিড-১৯ ৰ লকডাউনৰ বাবে যোৱা কেইবছৰত আমি বিচৰা ধৰণে যথেষ্ঠ অগ্ৰগতি হ'ব নোৱাৰিলো। পবিত্ৰ আত্মাৰ প্ৰবল বৰষুণ বৰষাই দিয়াৰ বাধাক ধ্বংস কৰিবৰ বাবে আমাৰ নিৰন্তৰ প্ৰাৰ্থনা কৰিবৰ এতিয়াই সঠিক সময়।

নেপাল, বাংলাদেশ, পাকিস্তান, শ্ৰীলংকা ইত্যাদি দেশবিলাকত প্ৰভুৰ বাৰ্তা কঢ়িয়াই লৈ যোৱাৰ বাবে উত্তম সুযোগ মুকলি হ'বলৈ আমি আপোনালোকৰ প্ৰাৰ্থনাৰ সহায় বিচাৰিছো। বিভিন্ন ধৰণৰ বাধাৰ মাজতো আমি বিশ্বাস কৰো যে সিংহাসনত বহি থকা আমাৰ ঈশ্বৰে সকলো নিয়ন্ত্ৰণ কৰি আছে।

তোমালোকৰ জীৱাত্মা যেনে কুশলপ্ৰাপ্ত তেনেকৈ সকলো বিষয়তে তোমাৰ কুশল আৰু স্বাস্থ্য হওক এয়ে আমাৰ প্ৰাৰ্থনা (যোহনৰ তৃতীয় পত্ৰ ২)। ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

(প্ৰথম পৃষ্ঠাৰ পৰা)

তেওঁৰেই মহিমা সৰ্বাদয় হওক। আমেন" (ৰোমীয়া ১১ঃ৩৩-৩৬)।

এলিয়া ভাববাদীয়ে এটি সৰু পিঠা বিচাৰি ছিল কিন্তু চাৰিফতৰ বিধৱা গৰাকীয়ে আকালৰ শেষলৈকে চাৰে তিনি বছৰ পিঠা খাবলৈ পালে (১ ৰাজাৱলী ১৭ঃ১৬-১৮)। যদিও আমাৰ উপাৰ্জন কম হ'ব পাৰে ঈশ্বৰে আমাক অধিক আশীৰ্বাদ কৰিবলৈ আমাৰ পৰা সৰু অংশ বিচাৰে। ঈশ্বৰে তেওঁৰ সন্তানবিলাকক আশীৰ্বাদ কৰিবলৈ তেওঁৰ সন্তানবিলাকে নিজৰ মণ্ডলীত তেওঁলোকৰ দশম ভাগৰ এভাগ তেওঁলৈ আগবঢ়োৱাটো বিচাৰে। "মোৰ গৃহত আহাৰ হ'বৰ নিমিত্তে তোমালোকে ভৰাললৈ গোটেই দশম ভাগ আনা; বাহিনীবিলাকৰ যিহোৱাই কৈছে, মই তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিম নে নকৰিম আৰু ঠাঁয়ে নধৰাকৈ তোমালোকলৈ আশীৰ্বাদ বৰ্ষাম নে নবৰ্ষাম, তাক জানিবলৈ তোমালোকে ইয়াৰেই মোৰ পৰীক্ষা কৰি চোৱা" (মলাখী ৩ঃ১০)।

সকলো ফালৰ পৰা আপুনি নিৰাশ হোৱাত, আপোনাৰ জীৱনটো এক যুদ্ধক্ষেত্ৰ হ'ব পাৰে। সাহস কৰক, ঈশ্বৰ আপোনাৰ পক্ষত আছে। আপুনি আপোনাৰ পৰিচয়ৰ সৈতে খেলিমেলি হ'লে ঈশ্বৰে আপোনালৈ কাৰ্য্য নকৰিব। আমি কি কৰা উচিত?

## ১। আমি আমাৰ স্থানক ঠিক কৰি ৰাখিব লাগে

আমি ঈশ্বৰৰ সন্তান স্বৰূপে আমি জগতত আছো কিন্তু আমি এই জগতৰ নহয় (ফিলিপীয়া ৩ঃ২০)। এই কাৰণে খ্ৰীষ্ট যীচুত, তেঁৰে সৈতে আমাক তুলিলে আৰু স্বৰ্গীয় ঠাইবোৰত বহুৱালে (ইফিচীয়া ২ঃ৭) কেতিয়াবা আমি খ্ৰীষ্ট যীচু থকা আমাৰ উচ্চ স্থানক আমি পাহৰি যাও আৰু নীচ কাৰ্য্য কৰো।

আহক আমি এটা উদাহৰণস্বৰূপে লওঃ এজন শাসনকৰ্তাৰ কাৰ্য্যালয়ত এখন মুখ্য কাৰ্যালয় থাকে আৰু তাৰ পৰা তেওঁ পৰিচালনা কৰে। তেওঁ সদায় তাত নাথকিবও পাৰে। কিয়নো তেওঁ অনেক দেশলৈ যাত্ৰা কৰিবলগীয়া হয়। যদিও তেওঁ আন আন দেশ পৰিদৰ্শন কৰে; তথাপিও তেওঁৰ নাগৰিকতা আৰু কাৰ্যালয় পৰিৱৰ্তন নহয়। তেওঁৰ স্থান একেই থাকিব আৰু নিজ দেশৰ নাগৰিক হৈ থাকিব। একেদৰে ঈশ্বৰৰ সন্তানবিলাকো পৃথিৱীৰ যিকোনো দেশৰ নাগৰিক হৈ থাকিব। একেদৰে ঈশ্বৰৰ সন্তানবিলাকো পৃথিৱীৰ যিকোনো দেশৰ নাগৰিক হ'ব পাৰে; কিন্তু তেওঁলোক কেৱল স্বৰ্গৰহে নাগৰিক হয়। তেওঁলোক এই পৃথিৱীৰ নহয়। আমি এই পৃথিৱীত বিদেশী আৰু প্ৰবাসী হওঁ। আমাক ইয়াত অলপ দিনৰ বাবেহে অনুমতি দিয়া হৈছে। এই পৃথিৱীত আমাৰ দিন এটা ছাঁ স্বৰূপ মাথোন (১ বংশাৱলী ২৯ঃ১৫)। গীতমালাৰ ৰচকজনে কয়, মই পৃথিৱীত প্ৰবাসী মাথোন (১১৯ঃ১৯); মোৰ প্ৰবাসৰ ঘৰত থকা সকলো দিনত, তোমাৰ বিধিবোৰ মোৰ গালৰ বিষয় হৈ আহিছে (গীতমালা ১১৯ঃ৫৪); পাঁচনি পিতৰে কয় আমি মনোনীত হোৱা প্ৰবাসী লোক (১ পিতৰ ১ঃ১,২)।

এই পৃথিৱীত আমাক ওপৰত উল্লেখ কৰা সত্যতাক আমাৰ মনত ৰাখি থাকিবলৈ মনোনীত কৰা হৈছে। তাৰোপৰি আমাক স্বৰ্গত ধন সাঁচিবলৈ কোৱা হৈছে (মথি ৬ঃ১৯-২০)। আমি এই পৃথিৱীৰ যিকোনো দেশত বাস কৰিব পাৰো, যিকোনো ভাষা ক'ব পাৰো কিন্তু সদায় মনত ৰাখিব লাগিব যে আমি কেৱল ঈশ্বৰৰ ৰাজ্যৰহে হওঁ। যি কি নহওক আমি যি দেশত বাস কৰো আমি সেই দেশৰ কলা-সংস্কৃতি আৰু আভাসবোৰ গ্ৰহণ কৰিব লাগিব। সকলো বস্তুৰ বাবে ঈশ্বৰক প্ৰশংসা কৰক আৰু ইজনে আনজনলৈ সমৰ্পিত হওঁক। বাইবেলে ইয়াক এইদৰে ব্যাখ্যা কৰি কয়ঃ "আৰু সদায় সকলো বিষয়ৰ কাৰণে, আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ নামেৰে পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰা; খ্ৰীষ্টৰ ভয়ত ইজনে-সিজনৰ বশীভূত হোৱা। হে ভাৰ্য্যাবিলাক, তোমালোক যেনেকৈ প্ৰভুৰ তেনেকৈ নিজ নিজ স্বামীৰো বশীভূত হোৱা" (ইফিচীয়া ৫ঃ২০-২২)। হে স্বামীবিলাক তোমালোকে নিজ নিজ ভাৰ্য্যাবিলাকক প্ৰেম কৰা (ইফিচীয়া ৫ঃ২৫,২৮)।

আপোনাৰ জীৱনৰ সকলো প্ৰান্তত পবিত্ৰ বুলি লিখা থকা উচিত (১ পিতৰ ১ঃ১৫)। সেইদিনা "যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ", এই কথা ঘোঁৰাবোৰৰ টিলিঙাত থাকিব..." (জখৰীয়া ১৪ঃ২০)। "ইস্ৰায়েল যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ, তেওঁৰ উৎপন্ন শস্যৰ প্ৰথমে পকা ফলস্বৰূপ" (যিৰিমিয়া ২ঃ৩)। "তেওঁবিলাক তিৰোতাবিলাকৰ সঙ্গত কুলষিত হোৱা নাই; কাৰণ তেওঁবিলাক অমৈথুন। সেই মেৰ পোৱালী য'লৈকে যায়, তেওঁবিলাকো তেওঁৰ পাছে পাছে তালৈকে যায়, ঈশ্বৰৰ আৰু সেই মেৰ পোৱালীৰ উদ্দেশ্যে প্ৰথম ফল বুলি তেওঁবিলাকক মনুষ্যবিলাকৰ মাজৰ পৰা কিনি লোৱা হ'ল" (প্ৰকাশিত বাক্য ১৪ঃ৪)।

আমাৰ সকলো আচৰণত স্বৰ্গীয় নাগৰিকত্ব প্ৰতিফলিত হ'ব লাগে। কেতিয়াবা আমি কওঁ, আনবিলাকে ভুল কৰাৰ দৰে মইনো কিয় কৰিব নোৱাৰো? আনবিলাকে কৰাৰ দৰে যদি মই নকৰো তেন্তে মই কেনেকৈ এই পৃথিৱীত জীয়াই থাকিম? এনে পৰিস্থিতিত, আমি এনে এটা সিদ্ধান্ত ল'ব লাগিব যে আনকি যদিও আনবিলাকে কৰে, মই নকৰো। মোৰ পালক ৰেভাঃ সুন্দাৰামে এইদৰে কয়, "আনবিলাকে কৰিব পাৰে, কিন্তু মই কৰা উচিত নহয় আৰু নকৰো।

গতিকে সকলো সময়তে, আমি অসাধাৰণ পৃথক জীৱনলৈ চলিব লাগে। কিছুমান খ্ৰীষ্টিয়ানে কয় যে তেওঁবিলাকৰ আত্মিক জীৱন, জাগতিক চাকৰি আৰু ব্যৱসায়ৰ মাজত ইয়াৰ কোনো সম্পৰ্ক নাই। গীৰ্জাঘৰত তেওঁবিলাকে পোৱা আনন্দ, প্ৰেম আৰু সত্যক তেওঁবিলাকে তেওঁবিলাকৰ কৰ্মস্থলীত আৰু ব্যৱসায়ত সেই সকলো পাব নোৱাৰে। কিছুমানে ব্যৱসায় কৰাৰ সময়তো ঈশ্বৰৰ পৰিচয্যা কৰে। তেওঁবিলাকে ব্যৱসায়ত কেতিয়াবাহে সত্যক ধৰি ৰাখে, যিবিলাকে চাকৰি কৰে, আনবিলাকৰ দৰে বাৰসায় চলাই, তেওঁবিলাকৰ বহুতেই অবিশ্বাসী। তেওঁবিলাকে আনক ঠগে কিছুমানে প্ৰভুৰ পৰিচয্যাটো, আনকি তেওঁবিলাকৰ পালকৰ লগতো ব্যৱসায়ৰ কৌশলবোৰ ব্যৱহাৰ কৰে। তেওঁবিলাকক যেতিয়া উপদেশ দিয়া হয়, তেওঁবিলাকে কয়, "পৰিচয্যা আৰু ব্যৱসায় দুয়োটাই বেলেগ বেলেগ।" এই ধাৰণা একেবাৰেই ভুল। ঈশ্বৰৰ সন্তানবিলাকে তেওঁবিলাকৰ জীৱনৰ সকলো প্ৰান্তত ঈশ্বৰৰ এজন প্ৰকৃত দাস হিচাপে পবিত্ৰতাক বজায় ৰখা উচিত। "সেই পৰিচয্যা পদ যেন কলঙ্কিত নহয়, এই নিমিত্তে আমি কোনো কথাত বিঘিনি নজন্মাও" (২ কৰিন্থীয়া ৬ঃ৩)

### এটা অভিজ্ঞতা ঃ

এবাৰ মই এটা একৰডিঅন কিনিম বুলি এজন বিখ্যাত ঈশ্বৰৰ দাসৰ কাষ চাপিলো, তেওঁ

ঈশ্বৰৰ পৰিচৰ্য্যা কৰাৰ লগতে বাদ্যযন্ত্ৰৰ ব্যৱসায়ো (কিনা আৰু বেচা) কৰিছিল। তেওঁ মোক এটা বাদ্য যন্ত্ৰ দেখুৱালে আৰু তেওঁ মোক ক'লে যে এই বাদ্যযন্ত্ৰটো পৃথিৱীৰ আটাইতকৈ ভাল কোম্পানীৰ দ্বাৰাই উৎপাদন কৰা হৈছে। মই তেওঁক তাৰ মূল্যটো দিলো আৰু বাদ্যযন্ত্ৰটো ল'লো। দুভাৰ্গ্যক্ৰমে মই এবাৰ এটা গোটেই সপ্তাহটোত বিষম আৰ্থিক সঙ্কটৰ সন্মুখীন হৈ আছিলো। তেতিয়া মই সেই নতুন একৰডিঅনটো লৈ তেওঁৰ ওচৰলৈ গৈ ক'লো যে, মোৰ অৱস্থা একেবাৰে বেয়া, গতিকে মই এই বাদ্যযন্ত্ৰটো বেচিব খুজিছো। লগে লগে তেওঁ মোক ক'লে যে, “এইটো কোনে কিনিব ইয়াৰ উৎপাদন এতিয়া আৰু বজাৰত নাই। তেওঁলোকে ইয়াৰ কাৰখানাটো বহুত বছৰৰ আগতে বন্ধ কৰি দিলে এইটো এটা বেয়া বাদ্যযন্ত্ৰ। এতিয়া আৰু এইটো বিক্ৰী কৰিবলগীয়া বস্তু হৈ থকা নাই।” আৰু তেওঁ মোক সেই বাদ্যযন্ত্ৰটোক ঘৰলৈ উভতাই লৈ যাবলৈ ক'লে। প্ৰিয় ঈশ্বৰৰ সন্তানসকল, আমি এনেকুৰা হোৱা উচিত নহয়, আমি ঈশ্বৰৰ সন্তান হোৱাৰ স্থানটোৰ পৰা পিছল খাই যাব নালাগে। যি খ্ৰীষ্টিয়ানবিলাকে বিভিন্ন ব্যৱসায়ত লিপ্ত হৈ থাকে, বহুত সাৱধান হ'ব লাগে আৰু সকলো সময়ত তেওঁলোকে নিজৰ স্থানটোক ৰক্ষা কৰি চলিব লাগে।

বিশ্বাসীসকলে জাগতিক মানুহৰ সৈতে মিলি থাকিব নালাগে আৰু মদ্যপান, নাচ, উৎকোচ লোৱা, নিচা জাতীয় বস্তু বেচা, ব্যৱসায়ত অসৎ আচৰণ ইত্যাদি কৰিব নালাগে।

### আন এটা অভিজ্ঞতা ঃ

এবাৰ মই মোৰ বন্ধু এজনক লৈ এজন বিখ্যাত ডাক্তৰৰ ওচৰলৈ গৈছিলো। আমি দুয়ো তেওঁৰ চেম্বাৰৰ ভিতৰলৈ সোমালো। অনেক ধৰণৰ চিকিৎসা বিষয়ক সামগ্ৰীসমূহ ভিতৰত ৰাখি থোৱা আছিল। কিন্তু চেম্বাৰত থকা চকীখন খালী হৈ আছিল। যেতিয়া আমি ভিতৰলৈ গ'লো, আমি দেখিলো যে কিছুমান মানুহে তাত হাঁহি ধেমালি কৰি আছিল। তাৰে এজনক মানুহক আমি ডাক্তৰ বুলি ভাবি তেওঁক অভিনন্দন জনালো আৰু মই তেওঁক মোৰ সমস্যাৰ বিষয়ে ক'বলৈ আৰম্ভণি কৰি দিলো। তেতিয়া তেওঁ আন এজনলৈ আঙুলি টোৱাই লগ কৰিবলৈ ক'লে। আমি ভুলকৈ মানুহজনক সন্মান দি পালো। ঈশ্বৰে যি স্থান অনুগ্ৰহেৰে আমাক দিছে আমি তাক শ্ৰদ্ধাৰে ৰাখিব লাগে। “এতেকে, হে ভাইবিলাক, তোমালোক নিজৰ আমন্ত্ৰণক আৰু মনোনীত হোৱাকে দৃঢ় কৰিবলৈ অধিক যত্ন কৰা; কিয়নো তাকে কৰিলে তোমালোক কেতিয়াও পতিত নহ'বা; কাৰণ এইদৰে আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অনন্ত ৰাজ্যত সোমাবৰ উপায় বাহুল্যৰূপে তোমালোকৰ যোগোৱা হ'ব” (২ পিতৰ ১ঃ১০,১১)।

ঈশ্বৰৰ সন্তানবিলাকে, ঈশ্বৰে দিয়া পদবোৰক সকলো সময়তে তেওঁবিলাকে শ্ৰদ্ধা কৰিব লাগিব। বিশ্বাসীসকলে আৰু ঈশ্বৰৰ দাসসকলে তেওঁলোকৰ দায়িত্বসমূহক পালন কৰাৰ সময়ত যত্নৱান হ'ব লাগে। এটা সময়ত এই পৃথিৱীত ঈশ্বৰৰ সন্তানবিলাকক প্ৰশংসা কৰা হৈছিল। যদিও তেওঁলোক এই জগতত আছিল, তেওঁলোকৰ উচ্চাকাংক্ষী গন্তব্য স্থান কেৱল ঈশ্বৰৰ ৰাজ্য আছিল।

### ২। পৰিত্ৰাণৰ বস্ত্ৰ

“মই যিহোৱাত অতিশয় আনন্দ কৰিম, মোৰ প্ৰাণে মোৰ ঈশ্বৰত উল্লাস কৰিব; কিয়নো দৰাই যেনেকৈ মালাৰে নিজকে বিভুষিত কৰে, আৰু কন্যাই যেনেকৈ অলঙ্কাৰেৰে নিজকে শোভিত কৰে, তেনেকৈ তেওঁ মোক পৰিত্ৰাণৰ ৰূপ বস্ত্ৰ পিন্ধালে, ধাৰ্ম্মিকতাৰূপ চোলাৰে মোক ঢাকিলে” (যিচয়া ৬১ঃ১০)।

বস্ত্ৰই এজনক মানুহ কৰে। হস্পিতেলত ডাক্তৰ আৰু পাৰা মেডিকেল কৰ্মীসকলক তেওঁলোকৰ কৰ্ম অনুযায়ী বস্ত্ৰ পৰিধান কৰিবলৈ দিয়া হয়। একেদৰে চকীদাৰ, চেনিটেৰী কৰ্মী, নাৰ্চ সকলকো বস্ত্ৰ পৰিধান কৰিবলৈ দিয়া হয়। তেওঁলোকৰ বস্ত্ৰই তেওঁলোকৰ কৰ্তব্যৰ পৰিচয় দিয়ে।

ঠিক একেদৰে, যিবিলাকক যীচু খ্ৰীষ্টৰ তেজৰ দ্বাৰাই ধোৱা হৈছে, তেওঁলোকক পৰিত্ৰাণৰ বস্ত্ৰ (পোছাক) দিয়া হয়। “অৰ্থাৎ প্ৰবঞ্চনাৰ কু-অভিলাষ দৰে নষ্ট হৈ যোৱা পুৰাতন পুৰুষক পূৰ্বকালৰ আচাৰৰ কথাত সলাই থৈ, নিজ নিজ মনৰ আত্মাত নতুন কৰা হৈ, সত্যতাৰ ধাৰ্মিকতা আৰু পবিত্ৰতাত ঈশ্বৰৰ প্ৰতিমূৰ্তিৰ দৰে সৃষ্টি হোৱা নতুন পুৰুষক পিন্ধিবলৈ তোমালোকে শিক্ষা পালা (ইফিচীয়া ৪ঃ২২-২৪)

কিছুমান মানুহক আমি চিনি নাপাবও পাৰো, কিন্তু যদি তেওঁলোক ৰক্ষা পোৱা লোক হয়, আমি তেওঁলোকত স্বৰ্গীয় চৰিত্ৰক আৰু পৰিত্ৰাণৰ আনন্দক দেখা পাওঁ। কেৱল আমাৰ মণ্ডলীয়ে নহয়, কিন্তু আমাৰ কৰ্মস্থলীত, বজাৰত আৰু আন আন ঠাইবিলাকত যদি আনবিলাকে

৬ পৃষ্ঠাত চাওঁক

**नहेम्याह बाइबल कॉलेज**
**रेसिडेन्शल कॉलेज, चेन्नई।**

**माध्यमः हिन्दी**

*सदस्यता के लिए पंजीकृत उम्मीदवार* - ATA

**सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान**

**सर्टिफिकेट इन थियोलॉजी – 1 साल**
**डिप्लोमा ऑफ थियोलॉजी – 2 साल**

**योग्यता 10 वी या अधिक**
**जल्दी करें!**

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২২ চনৰ ১৯ আগষ্টৰ পৰা ২০২২ চনৰ ১৮ ছেপ্তেম্বৰলৈ**

## প্ৰশংসাৰ বিষয়সমূহ

আগষ্ট ১৯ ঃ আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ পাব্লিক গৰ্ভণমেণ্ট পৰীক্ষাত ১০০% ৰে উত্তীৰ্ণ হ'ল।

আগষ্ট ২০ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি সহকাৰী সম্পাদক আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গ।

আগষ্ট ২১ ঃ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীবিলাকৰ আমাৰ পালক আৰু জ্যেষ্ঠ সদস্যসকল।

আগষ্ট ২২ ঃ আমাৰ শুভবাৰ্তাৰ ছপা কৰা ছপাশাল আৰু ইয়াৰ দক্ষতাপূৰ্ণ কৰ্মীসকলৰ সৈতে একেৰাহে চলি থাকিবলৈ।

আগষ্ট ২৩ ঃ আমাৰ শুভবাৰ্তা ছপা কৰা ছপাশালত ১৬ টা ভাষাত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি ছপা কৰিবলৈ আৰু বিভিন্ন ঠাইলৈ পঠিয়াবলৈ আমাক সমৰ্থ কৰাৰ বাবে।

আগষ্ট ২৪ ঃ কৰ্মক্ষেত্ৰত আমাৰ মিশ্বনেৰীসকল আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গক নিৰাপত্তা প্ৰদান কৰি আহিছে।

আগষ্ট ২৫ ঃ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীবিলাকত আমাৰ দেওবৰীয়া উপাসনা আৰু ঈশ্বৰৰ পৰিচয্যা।

আগষ্ট ২৬ ঃ আমাৰ মণ্ডলীবিলাকক নতুন নতুন বিশ্বাসীক যোগ কৰা হ'ল।

আগষ্ট ২৭ ঃ আমাৰ সমৰ্থনকাৰীবিলাকৰ ওপৰত আশীৰ্বাদবোৰ।

আগষ্ট ২৮ ঃ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালবৰ্গলৈ তেওঁৰ যত্ন।

আগষ্ট ২৯ ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ সহযোগ।

আগষ্ট ৩০ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীক যোগোৱাত সমৰ্থ কৰিলে।

আগষ্ট ৩১ ঃ যোৱা মাহত আমাৰ অভাৱবোৰ পূৰ্ণ কৰিলে।

ছেপ্তেম্বৰ ০১ ঃ আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু যোগাযোগ পাঠ্যক্ৰমৰ ওপৰত তেওঁৰ আশীৰ্বাদবোৰ।

ছেপ্তেম্বৰ ০২ ঃ মিশ্বনৰ কৰ্মীসকলৰ দ্বাৰাই মহান অঙ্গীকাৰ।

ছেপ্তেম্বৰ ০৩ ঃ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত নতুনকৈ নামভৰ্তিকৰণ।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

ছেপ্তেম্বৰ ০৪ ঃ আমাৰ পৰিচয্যামূলক কাৰ্য্যকলাপবোৰ আৰু ইয়াৰ বিস্তাৰ।

ছেপ্তেম্বৰ ০৫ ঃ পৰিচয্যামূলক কাৰ্য্যকলাপবোৰত আমাৰ অংশীদাৰসকল আৰু আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ৰাজ্যিক সহ পৰিচালকসকল।

ছেপ্তেম্বৰ ০৬ ঃ আমাৰ পৰিচয্যামূলক বিস্তাৰকৰণ আৰু শুভবাৰ্তাৰ পৃথিৱীজুৰি প্ৰচাৰ কাৰ্য্য।

ছেপ্তেম্বৰ ০৭ ঃ ভাৰতত শুভবাৰ্তা নোপোৱা ঠাইবিলাকলৈ যাবৰ বাবে সমৰ্থ হ'বলৈ।

ছেপ্তেম্বৰ ০৮ ঃ সকলো দেশবিলাকত একতা আৰু শান্তি।

ছেপ্তেম্বৰ ০৯ ঃ আমাৰ মুখ্য মণ্ডলী আৰু শাখাবিলাকত সকলো বিশ্বাসীৰ লাভৰ বাবে।

ছেপ্তেম্বৰ ১০ ঃ পৃথিৱীৰ সকলো মহিলা আৰু শিশুসকলৰ নিৰাপত্তাৰ বাবে।

ছেপ্তেম্বৰ ১১ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ নিৰাপদে থাকি চলিবলৈ।

ছেপ্তেম্বৰ ১২ ঃ আমাৰ কৰ্মীসকল আৰু ছপা কৰা লোকসকলে আমাৰ চৌহদত পৰিশ্ৰম কৰাৰ সময়ত নিৰাপদ আৰু সুস্বাস্থ্য।

ছেপ্তেম্বৰ ১৩ ঃ আমাৰ নহিমিয়া বাইবেল কলেজলৈ আৰু অধিক নতুন ছাত্ৰ-ছাত্ৰীক যোগাবলৈ।

ছেপ্তেম্বৰ ১৪ ঃ প্ৰত্যেক নিচাসক্ত মানুহ আৰু দুষ্ট কৰ্মী লোকবিলাকৰ পাপ স্বীকাৰ কৰিবলৈ ঈশ্বৰলৈ অনুৰোধ কৰক।

ছেপ্তেম্বৰ ১৫ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত ২০২২-২৩ শিক্ষাবৰ্ষৰ বাবে আৰু অধিক নতুন ছাত্ৰ-ছাত্ৰী পাবলৈ।

ছেপ্তেম্বৰ ১৬ ঃ এই মাহত ঈশ্বৰে আমাক প্ৰয়োজনীয় বস্তুবোৰ যোগাবলৈ।

ছেপ্তেম্বৰ ১৭ ঃ গোটেই পৃথিৱীত সকলো খ্ৰীষ্টিয়ানৰ মাজত ঈশ্বৰে শান্তি আৰু আনন্দ দিবলৈ।

ছেপ্তেম্বৰ ১৮ ঃ আমাৰ ৰাজ্যিক সহ-পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ মঙ্গলৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

আমাক ঈশ্বৰৰ সন্তানবিলাকৰ দৰে দেখে, তেন্তে ঈশ্বৰৰ আশীৰ্বাদ আমাৰ লগত থাকিব।

আজিকালি আনকি আত্মিক লোকবিলাকেও আনবিলাকৰ মাজত থাকোতে প্ৰভু, ঈশ্বৰ, পৰিত্ৰাণ, প্ৰাৰ্থনা আদি শব্দসমূহ ক'বলৈ ইচ্ছা নকৰে। কিছুমানে ভাবে যে গীৰ্জালৈ যাওঁতে হাতত বাইবেলখন গ'লে তেওঁলোকৰ আত্মসন্মান গুচি যাব। আজিকালিৰ মানুহবিলাকে এই বাস্তৱটোক পাহৰি যায় যে, "যি হাতে পবিত্ৰ বাইবেলখন কঢ়িয়াই লৈ যায় আৰু যি আঁঠুবোৰে প্ৰাৰ্থনাত প্ৰভুৰ আগত আঁঠু লৈ, তেওঁ কেতিয়াও জীৱনত বিফল নহয়"।

এবাৰ মই মোৰ পৰিয়ালবৰ্গৰ সৈতে হোটেল এখনলৈ গৈছিলো। খাবলৈ আৰম্ভ কৰাৰ আগতে, আমাক ঈশ্বৰে ভাল দিন দেখিবৰ দিয়াৰ বাবে আৰু আহাৰ যোগোৱাৰ বাবে আমি ঈশ্বৰলৈ প্ৰশংসা আৰু প্ৰাৰ্থনা কৰিছিলো। আমি প্ৰাৰ্থনা শেষ কৰাৰ পাছত, আমি দেখিলো যে আমাৰ টেবুলৰ ওচৰত বহি থকা কিছুমান মানুহে আমালৈ চাই হাঁহি আছিল। তেওঁলোকৰ চাৱনি আৰু প্ৰক্ৰিয়াবোৰক চাই এনেদৰে ভাবিলো। "আনকি এতিয়াও এনে প্ৰকৃতিৰ লোকবিলাক আছে।" এই কথা বাদ দিওঁহক।

সকলো ঠাইত আৰু সকলো পৰিস্থিতিত, আমি ঈশ্বৰৰ সন্তানৰ দৰে এই বিশেষ লক্ষণবোৰক ভাল বুলি ল'বলৈ শিকিব লাগে। যিবিলাকে আমালৈ দেখে তেওঁবিলাকে জানিব লাগিব যে আমি ৰক্ষা পাইছো। আমাৰ প্ৰকৃতি আৰু আমাৰ ব্যৱহাৰৰ পৰা আনে আমাক সুধিব লাগিব যে, "আপুনি এজন খ্ৰীষ্টিয়ান লোক নে কি? আপুনি এজন ৰক্ষা পোৱা পুৰুষ/মহিলা নে? এনে ধৰণৰ আমাৰ মুখমণ্ডল আৰু পিন্ধা বস্ত্ৰ হ'ব লাগিব। আমাৰ মুখমণ্ডলত আমাৰ হৃদয়খন প্ৰতিবিম্ব হোৱা উচিত।

এবাৰ মই মোৰ মিশ্বন যাত্ৰাত কানাডালৈ গৈছিলো। ঈশ্বৰৰ এজন জ্যেষ্ঠলোকে মোক তেওঁৰ মণ্ডলীত পৰিচৰ্য্যা কৰিবলৈ ক'লে। তেওঁ এজন বৰ দয়ালু লোক আছিল। মই তেওঁত ঈশ্বৰৰ প্ৰতিমূৰ্তি দেখিব পাৰিছিলো। সন্ধ্যাবেলাত তেওঁ মোক এখন ঠাইলৈ লৈ গৈছিল আৰু তাত তেওঁ মোক এজন ঈশ্বৰৰ সন্তানে কি দৰে বস্ত্ৰ পৰিধান লাগে আৰু কি দৰে আচৰণ কৰিব লাগে তাৰ বিষয়ে শিকালে। যিবিলাক প্ৰচাৰকে মানুহক মদ খাব নালাগে কয় আৰু আমোদ-প্ৰমোদবোৰত লিপ্ত হ'ব নালাগে বুলি ধমক দিয়ে, তেওঁবিলাকক ইয়াৰ দূৰৈত ৰখা হয়। কিন্তু কিছুমানে উৰা জাহাজেৰে বিদেশলৈ গৈ তেওঁলোকে ভাল পোৱা মতে তাত থাকিবলৈ লয় এইটো এটা দুঃখজনক বিষয়।

পথৰ ওপৰত গাড়ীবোৰ বৰ দ্ৰুতগতিত চলাচল কৰে। যদিও গাড়ীবোৰ দ্ৰুত-গতিত চলে আৰু গাড়ীবোৰৰ যিমান সংখ্যা থাকিলেও, যেতিয়া ট্ৰেফিক পুলিচে ৰখোৱাৰ চিগনেল দিয়ে। আটাইবোৰ গাড়ীকেইখন লগে লগে ৰৈ যায়। ইয়াত আমি ইউনিৰ্ফম পিন্ধা ট্ৰেফিক পুলিচে ৰখোৱাৰ ছিগনেল আৰু ইউনিৰ্ফম নিপিন্ধাজনৰ মাজত থকা ডাঙৰ পাৰ্থক্যক উপলব্ধি কৰিব পাৰো। ইউনিৰ্ফম পিন্ধাৰ বাবে তেওঁৰ অধিকাৰক নিশ্চিত কৰে। ঠিক একেদৰে আমাৰ আত্মিক জীৱনতো, আমাৰ পৰিত্ৰাণৰ অভিজ্ঞতাই আমাক সকলো মন্দতাৰ ওপৰত অধিকাৰ দিয়ে আৰু নিৰাপত্তা দিয়ে।

গীতমালা ১৮ঃ৩০ পদে এইদৰে কয়ঃ "তুমি তোমাৰ পৰিত্ৰাণস্বৰূপ ঢাল মোক দিলা; তোমাৰ সোঁ হাতে মোক ধৰি ৰাখিলে; তোমাক মহান কৰিলে"। চাওক, যদি আমি শান্তিত থাকিব বিচাৰো, আমি প্ৰভুৰ পৰিত্ৰাণৰ ঢাল ধৰি ৰাখিব লাগিব। এইটোৱে এখন ঢালৰ দৰে আমাক সকলো মন্দতাৰ পৰা আৰু বেয়া পৰিস্থিতিৰ পৰা আমাক ৰক্ষা কৰিব। সকলো পৰিস্থিতিত পৰিত্ৰাণে এখন ঢালৰ দৰে ৰক্ষা কৰে।

যেতিয়া আমি চয়তান আৰু জগতৰ মানুহৰ সৈতে মুখামুখি হওঁ, পৰিত্ৰাণৰ বস্ত্ৰই আমাক ৰক্ষা কৰে। পৰিচৰ্য্যা কৰি থকা মোৰ বন্ধু এজনে মোক সত্য কাহিনী এটাৰ বিষয়ে কৈছিল। এবাৰ এজন মানুহক বেয়া আত্মাই ধৰিছিল। তেওঁক বহুত কষ্ট দিছিল। তেওঁ একো খাব পৰা নাছিল। তেওঁৰ সন্মুখৰ পৰা পাৰ হৈ যোৱা মানুহক তেওঁ আক্ৰমণ কৰিছিল। তেওঁৰ পৰিয়ালে তেওঁক মোৰ সেই বন্ধুজনৰ ওচৰত প্ৰাৰ্থনা কৰি দিবৰ বাবে আনিছিল।

যেতিয়া ঈশ্বৰৰ সেই দাসজনে প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছিল, মানুহজনৰ গাত থকা বেয়া আত্মাটোৱে ক'লেঃ "এই মানুহজনে জীৱিত ঈশ্বৰ, যীচু খ্ৰীষ্টক আৰাধনা কৰি আছিল। কিন্তু সি এই গাঁওখনত অলপতে আত্মাবোৰলৈ বলিদান উৎসৰ্গা দিয়া কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিছিল। গতিকে, মই আহি ইয়াৰ গাত থাকিব লৈছো। মই ইয়াক বেছি অনিষ্ট কৰিব নোৱাৰো। কিয়নো ইয়াৰ পিতৃ-মাতৃয়ে ইয়াক ইম্মানুৱেল নামাকৰণ কৰিছে। সি এই নাম লৈ থকাৰ বাবে ইয়াক মই নষ্ট কৰিব পৰা নাই"। চাওক, আনকি ইম্মানুৱেল নামৰ আগতো চয়তান কিমান দুৰ্বল হয়?


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ECHO OF HIS CALL (ECHO GROUP)

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

**যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA**

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

**অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক**

**নামভৰ্তিৰ বাবে সোনকাল কৰক!**

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

গতিকে, যেতিয়া আমি আমাৰ সন্তানবিলাকক নামাকৰণ কৰোঁ, আমি বহুত সাৱধান হোৱা উচিত। কিছুমান পিতৃ-মাতৃয়ে অধিক চিন্তা নকৰাকৈ তেওঁলোকৰ সন্তানবিলাকৰ নাম দিয়ে যাক উচ্চাৰণ কৰাটোও কঠিন হয়। আপোনাৰ সন্তান বাইবেলত থকা নামেৰে নামকৰণ কৰক আৰু আনন্দ কৰক। আত্মিক চলাওতা সকলৰ আৰু মিশ্বনেৰীসকলৰ নামো দিব পাৰে আৰু তেওঁবিলাকক জয়যুক্ত জীৱন চলাই যাবলৈ দিয়ক। তেনে কৰিলে তেওঁলোক দীৰ্ঘজীৱি হ'ব আৰু জীৱনত ভাল লক্ষ্যত উপনীত হ'ব পাৰিব। "চোৰা মই চোৰৰ নিচিনাকৈ আহিছোঁ। যিজনে জাগি থাকে, আৰু যাতে তেওঁ উলঙ্গ হৈ নুফুৰে আৰু তেওঁৰ লাজ দেখা নাপায়, তাৰ কাৰণে নিজ বস্ত্ৰ ৰাখে, তেওঁ ধন্য" (প্ৰকাশিত বাক্য ১৬ঃ১৫)।

## ৩। পৃথক জীৱনটোৰেই জয়যুক্তৰ জীৱন

এতেকে প্ৰিয় সন্তানবোৰৰ নিচিনাকৈ তোমালোক ঈশ্বৰৰ অনুকাৰী হোৱা আৰু খ্ৰীষ্টে যেনেকৈ তোমালোকক প্ৰেম কৰি সুগন্ধৰ আঘ্ৰাণৰ অৰ্থে ঈশ্বৰৰ উদ্দেশ্য নৈবেদ্য আৰু বলিস্বৰূপে, আমাৰ কাৰণে নিজকে শোধাই দিলে, তেনেকৈ তোমালোকেও প্ৰেম আচৰণ কৰা। কিন্তু ব্যাভিচাৰ আদি কৰি সকলো অশুচি কৰ্মৰ বা লোভৰ নামো তোমালোকৰ মাজত উচ্চাৰিত নহওক; পবিত্ৰ লোকৰ এয়ে উচিত আৰু অশ্লীলতা, উন্মত্ত বলকনি, খেঁজেলিওৱা, এনে অনুচিত ব্যৱহাৰো তোমালোকৰ মাজত নহওক; বৰং ধন্যবাদ হওক। কিয়নো খ্ৰীষ্টৰ আৰু ঈশ্বৰৰ ৰাজ্যত যে কোনো ব্যাভিচাৰীৰ বা অশুচি লোকৰ বা লুভীয়া অৰ্থাৎ দেৱপূজকৰ অধিকাৰ নাই, তাক তোমালোকে নিশ্চয়কৈ জানা (ইফিচীয়া ৫ঃ১-৫)।

এই পৃথিৱীত কিছুমানে নীতিবাক্যৰ সৈতে চলিব বিচাৰে, যাতে তেওঁবিলাকে যিদৰে বিচাৰে সেইমতে চলিব পাৰিব। কিন্তু ঈশ্বৰে আমাক জগতৰ অনুৰূপ নহ'বলৈ কয়। এই জগতে সমানে সমানে চলিবলৈ ক'ব পাৰে। কিন্তু ঈশ্বৰৰ ইচ্ছা এইয়ে যে আমি পৃথক জীৱনত জীয়াই চলিব লাগে। কিন্তু কিছুমান খ্ৰীষ্টিয়ানে ছদ্মবেশৰ আঁৰত থাকি আন খ্ৰীষ্টিয়ানবিলাকৰ লগত যোগদান নকৰে আৰু কয় যে, তেওঁলোক জগতৰ অনুৰূপ হোৱা নাই আৰু আন বিলাকতকৈ তেওঁলোকে ঈশ্বৰৰ বাক্যক ভালকৈ জানে। এইটো ভুল কথা, শাস্ত্ৰই পৃথক জীৱনৰ বিষয়ে দিয়া শিক্ষা কিন্তু অলপ বেলেগ। খ্ৰীষ্টিয়ানবিলাকে একেলগে গোট খোৱাটো বেয়া নহ'ব। আমি এই বিষয়টিক সঠিক জ্ঞানত বুজিব লাগিব আৰু পৃথক জীৱন পাবলৈ তলত উল্লেখ কৰা মূল বিষয়সমূহৰ লগত লাগি থাকিব লাগিব।

### ক) ঈশ্বৰক অনুসৰণ কৰিবলৈ

আজিকালি বহুত খ্ৰীষ্টিয়ানে ৰাজনীতিত লিপ্ত হৈ থাকে। যদি তেওঁবিলাকে তাতো সত্যতাক বজায় ৰাখে, ঈশ্বৰৰ নাম কলুষিত নহ'ব। তেওঁবিলাকে এই কাৰ্য্যক মানুহক সেৱা কৰা বুলি ধৰি ল'ব পাৰে। কিন্তু এই কাৰ্য্য তেওঁবিলাকৰ জীৱনত প্ৰথম প্ৰেম হ'ব নোৱাৰে। যীচু তেওঁবিলাকৰ জীৱনত প্ৰথম স্থান পাব লাগিব। কিন্তু আনকি কিছুমান পালকে ৰাজনীতিত জাপ মাৰে আৰু তেওঁবিলাকৰ সময় আৰু প্ৰতিভাবিলাকক নষ্ট কৰে। যি সময় আৰু ধন তেওঁবিলাকৰ সময় আৰু প্ৰতিভাবিলাকক নষ্ট কৰে। যি সময় আৰু ধন তেওঁবিলাকৰ মণ্ডলী আৰু পৰিয়ালৰ বাবে খৰচ কৰিব লাগিছিল তাক ৰাজনীতিত খৰচ কৰাটো উচিত নহয়। পালক সকলক ঈশ্বৰৰ পৰিচৰ্য্যাৰ বাবে আহ্বান কৰা হৈছে, গতিকে ৰাজনীতিত হস্তক্ষেপ কৰা উচিত নহয়।

### খ) জাগতিক বিষয়বস্তুত জড়িত নহ'ব

"এতেকে, হে মোৰ পুত্ৰ, খ্ৰীষ্ট যীচুত থকা অনুগ্ৰহত তুমি বলৱান হোৱা। খ্ৰীষ্ট, যীচুৰ এজন উত্তম সৈন্যৰ দৰে, তুমি মোৰে সৈতে ক্লেশ সহন কৰা। চিপাহী কামত থাকোতে, কোনো জনে নিজকে জীৱিকাৰ অৰ্থে কোনো ব্যৱসায়-পাশত বন্ধ হ'বলৈ নিদিয়ে; কিন্তু যিজনে তেওঁক চিপাহী-কামত ভৰ্তি কৰিলে, তেওঁক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে। আৰু খেলত জিকিবলৈ যদিও কোনোৱে যত্ন কৰে, তথাপি তেওঁ বিধিমতে যত্ন নকৰিলে, মুকুটেৰে বিভুষিত নহয়" (২ তীমথিয় ২ঃ১,৩-৫)। কোনো জনে যদি পৰিচৰ্য্যালৈ মনোনীত হৈছে,

....Contd. to page 9


## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**



## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## ঈশ্বৰৰ পৰিচয্যাৰ বাবে মোলৈ আহ্বান
## My call for God's Work



**এচ. চাম ছেলভা ৰাজ (বয়স ১৮ বছৰ)**

মোৰ যৌৱন কালৰ ১৬-২৮ বছৰ বয়সৰ পৰাই পৱিত্ৰ আত্মাৰ প্ৰভাৱেৰে মোৰ ভিতৰৰ মানুহজন আৰু চিন্তাধাৰাক পৰিৱৰ্তন কৰিবলৈ আৰম্ভ কৰি দিছিল। যাৰ বাবে মই মোৰ দক্ষতাক চোকা কৰিবলৈ টাইপ ৰাইটিং, চৰ্ট হেণ্ড আৰু ইংৰাজী শিকিলো; আৰু এই সকলো বিষয়বস্তুবিলাকে মোৰ



**ভনী চাৰা নভাৰজী**



**পালক সাধু এচুদাস**

বৰ্তমানৰ পৰিচয্যাত বহু দৰকাৰী হৈ গ'ল। লগতে ঈশ্বৰৰ সত্য দাসসকল যেনে ৰেভাঃএচ-দেবাদাচন (হেৰল্ড অফ হিজ কামিং), পালক সাধু এচুদাস (কিৰুবাচানাম মণ্ডলী), পালক আব্ৰাহাম (ইণ্ডিয়ান পেণ্টিককস্টেল চাৰ্চ), পালক এন. জিৱানন্ধাম (মেজাইচ্চি মেগাজিন) আৰু ভনী চাৰা নভাৰাজী (চেন্নাই), এই লোকসকলক মই ব্যক্তিগতভাৱে চিনাকী হ'বলৈ সুযোগ পালো। মই এই লোকসকলক পৰা আত্মিক সত্যতা, পৱিত্ৰ জীৱন-যাপনৰ বাবে আৰ্কষণ, কঠোৰ পৰিশ্ৰমত দৃঢ় মন, ধৈৰ্য্য, প্ৰেম, বলিদান, মানৱীয়তা, সমৰ্থন, বাধ্যতা, লঘোণ প্ৰাৰ্থনা আৰু ঈশ্বৰৰ সেৱা কৰাৰ বিষয়ে শিকিব পাৰিলো।

যেতিয়া মই তেওঁলোকৰ আত্মিক পদচিহ্ন বিলাকক অনুসৰণ কৰি আছিলো মই উপলব্ধি কৰিলো যে আমাৰ বাবে স্বৰ্গত যি ধাৰ্মিকতা জমা ৰখা হৈছে সেই ধাৰ্মিকতা এই পৃথিৱীতো উপভোগ কৰিব পাৰি।

সেই সময়ত ৰেভাঃ এচ দেৱাদসনে (হেৰল্ড অফ হিজ কামিং) প্ৰভুৰ পৰিচয্যাত তেওঁৰ সৈতে পৰিচয্যা কৰিবলৈ এখন পত্ৰৰ দ্বাৰাই মোক নিমন্ত্ৰণ জনাইছিল। মই অতি আনন্দিত হৈছিলো কিয়নো ইয়ে মোৰ ভৱিষ্যৎ উজ্জ্বল কৰিব। কিন্তু মোৰ পিতৃ-মাতৃ এই বিষয়ত নিজম দি আছিল। গতিকে মই মোৰ সাধাৰণ সাক্ষ্য বিলাই চলি আছিলো, প্ৰাৰ্থনা কৰিছিলো আৰু পত্ৰিকা বিলাই আছিলো। মই সম্পূৰ্ণকৈ নিজকে সমৰ্পিত কৰিলো। আৰু ঈশ্বৰে মোক এই প্ৰত্যাহ্বানত চলাবলৈ ধৈৰ্য্যৰে অপেক্ষা কৰি আছিলো।


যেতিয়া কোনো পথ মই খোলা নেদেখিলো তেতিয়া মই মোৰ বন্ধু কিছুমানৰ পৰা প্ৰেম পাবলৈ সক্ষম হ'লো। তেতিয়া মোৰ জীৱনত অৱস্থাৰ অৱনতি ঘটিছিল। যদিও মোত ঈশ্বৰৰ প্ৰতি ভয় আৰু বিশ্বাস আছিল তথাপিও মই মোৰ জীৱনত কিবা এটা পাবলৈ চেষ্টা কৰিছিলো। গতিকে মই ৰাজনৈতিক উদ্দেশ্যৰ বাবে বন্ধুবিলাকক মোৰ ঘৰটোক ব্যৱহাৰ কৰিবলৈ দিলো; কিছুমান বন্ধু যেনে যোহন, পেৰুমাল আচাৰী, মাণিকান্দন এইসকলৰ লগত মই বন্ধুত্ব স্থাপন কৰিলো। মই চম্বেৰী মেডাম (লেজী কনভেণ্ট) নাম দি এটা অনুষ্ঠানো আৰম্ভ কৰিছিলো। এইদৰে মোৰ জীৱনত অৱনতি ঘটিছিল। মোৰ পিতৃ-মাতৃ আৰু বন্ধুসকলে মোক লৈ কি কৰো কি নকৰো হৈছিল। কিন্তু মোৰ মায়ে মোৰ বাবে নিৰন্তৰে প্ৰাৰ্থনা কৰি আছিল।



*Pr. S. Sam Selva Raj & Rev. S. Devadasan*

এই পৰিস্থিতিত ৰেভাঃ এচ. দেবাদাসনে বয়স ৬২ বছৰ বগা বস্ত্ৰ পিন্ধা, এখন হাতত ছাতি আৰু এখন হাতত বাইবেল লৈ এদিন ৰাতিপুৱা মোৰ ঘৰ পৰিদৰ্শন কৰিছিল। মই ভবাই নাছিলো যে সেই সময়ত তেওঁ আমাৰ ঘৰ পৰিদৰ্শন কৰিব। এবাৰ মই তেওঁক কেৱল অফিচতহে দেখিছিলো। তেওঁক দেখি মই ভয় খাইছিলো আৰু মোৰ মাৰ পাছফালে লুকাই গৈছিলো। পালকজনে মোৰ ফালে মৰমেৰে চাই আছিল আৰু গহীন হৈ মোৰ কোঠাৰ চাৰিওফালে চাই আছিল। শেষত মোক আৰু মোৰ মাৰ ফালে চাই তেওঁ ক'লে, "তেওঁ ক'লে, "ঈশ্বৰে তেওঁৰ পৰিচয্যাৰ বাবে এই ল'ৰাটিক আহ্বান কৰি আছে। এই ল'ৰা চাম ছেলভা ৰাজ অহা কালি পুৱা ৯.০০ বজাত মোৰ অফিচলৈ আহিব লাগে"। তেওঁ তাৰ পাছত প্ৰাৰ্থনা কৰি আমাৰ ঘৰৰ পৰা গুচি গ'ল।

সেই দিনাৰ পৰা আমাৰ পৰিয়ালত আনন্দৰ পৰিৱেশ দেখা দিলে। আমাৰ ঘৰত এটা মিঠা সুগন্ধি ভাহি থকা যেন অনুভৱ হ'ল। সেইদিনাখন মই মোৰ সকলো বন্ধুবিলাকক নিমন্ত্ৰণ কৰিলো আৰু মায়ে ৰান্ধি দিয়া সুস্বাদু





আহাৰ তেওঁলোকৰ লগত ভগাই খালো। মই তেওঁলোকক ক'লো যে মই "লেজী কনভেন্ট"ক ত্যাগ কৰিছো। এইদৰে মই তেওঁলোকক বিদায় দিলো। তেওঁলোক আচৰিত হৈছিল আৰু তেওঁলোকে মুখেৰে একো নামাতিলে আৰু গুচি গ'ল।



দ্বিতীয় দিনাখন ৰেভাঃ এচ. দেৰাদাসনে মোক আদেশ দিয়াৰ দৰে তেওঁৰ ওচৰলৈ গ'লো। মই তেওঁৰ এজন আত্মিক সন্তান আৰু নম্ৰ দাসৰ দৰে হ'লো। মই তেওঁৰ জীৱনৰ সকলো কৰ্মক অনুসৰণ কৰিলো আৰু তেওঁৰ এজন নম্ৰ সহায়কাৰী হ'লো। মই তেওঁৰ দৰে আঠু কাঢ়ি বহুত দীঘলীয়া প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিলো, তেওঁৰ দৰে দীঘলীয়া সময় ধৰি বাইবেল পাঠ অধ্যয়ন কৰিলো, ধ্যান কৰিলো আৰু ঈশ্বৰে মোক যি যি কৈছিল তাকেই মই লিখি গৈ আছিলো।

ভৱিষ্যতত ঈশ্বৰে কিদৰে মোক ব্যৱহাৰ কৰিব তাকে দেখি ৰেভাঃ এচ. দেৰাদাসনে ঈশ্বৰৰ ধাৰ্মিকতা, পবিত্ৰতাত আৰু আত্মা জয় কৰাৰ বোজা ল'বলৈ মোক কাঢ়া কৈ শিকাই আছিল। তাৰোপৰি তেওঁ মোক সত্যতাৰ বিষয়ে প্ৰাৰ্থনাশীল জীৱন আৰু ঈশ্বৰৰ বাক্যক দ্যান কৰিবলৈ শিকাইছিল। কিদৰে বিশ্বাসেৰে ঈশ্বৰৰ সেৱা কৰিব লাগে, পবিত্ৰ জীৱননো কি, আনকি ধনৰ অবিহনেও কিদৰে ঈশ্বৰৰ পৰিচয্যা কৰিব লাগে আৰু ঈশ্বৰৰ বাক্যত লিখাৰ দৰে তেওঁৰ পৰিচয্যাৰ বাবে কিদৰে পুঁজি সংগ্ৰহ কৰিব লাগে সেই বিষয়েও শিকালে। সেই বিষয়বস্তুবিলাকক ব্যৱহাৰিক কৰিবলৈ মোক শিকালে।

************

*....Contd. from page 7*

পৰিয়ালক সহায় কৰিবলৈ পৰিশ্ৰম কৰিব পাৰে। কিন্তু তেওঁ ৰাজনীতিত, সংঘাত, ব্যৱসায়ত, ক্লাবত ইত্যাদিত জড়িত হোৱা উচিত নহয়। ইয়াত "জড়িত" শব্দটো অতি গুৰুত্বপূৰ্ণ বিষয় হৈছে, কিয়নো "কোনো চাকৰে দুজনা গৰাকীত খাটিব নোৱাৰে, কিয়নো সি এজনক ঘিন কৰি, আনজনক ভাল পাব; নাইবা এজনত আসক্ত হৈ, আনজনক হেয়জ্ঞান কৰিব। তোমালোকে ঈশ্বৰ আৰু ধন, উভয়তে খাটিব নোৱাৰা" (লুক ১৬ঃ১৩)।

## গ) প্ৰেম আচৰণ কৰা

"আৰু খ্ৰীষ্টে যেনেকৈ তোমালোকক প্ৰেম কৰি, সুগন্ধৰ আঘ্ৰাণৰ অৰ্থে ঈশ্বৰৰ উদ্দ্যেশ্যে নৈবেদ্য আৰু বলি স্বৰূপে, আমাৰ কাৰণে নিজকে শোধাই দিলে, তেনেকৈ তোমালোকেও প্ৰেম আচৰণ কৰা"। (ইফিচীয়া ৫ঃ২)। ১ কৰিন্থীয়া ১৩ অধ্যায়ত শুদ্ধ প্ৰেমৰ কথা কয়। "প্ৰেমে অনেক দিন সহে, মৰমো কৰে; প্ৰেমে ঈৰ্ষা নকৰে; প্ৰেমে আত্ম-গৌৰৱ নকৰে, নিজৰ লাভ নিবিচাৰে, ক্ৰোধত উত্তেজিত নহয়, অপকাৰ গণনা নকৰে, অধাৰ্মিকতাত আনন্দ নকৰি সত্যত আনন্দ কৰে, সকলো কথাতে সহন কৰে, সকলোকে সহ্য কৰে" (৪-৭)

## ঘ) ধাৰ্মিক লোকে সংঘ কৰিব নালাগে

ব্যভিচাৰ আৰু অশুচি কৰ্ম, ধনৰ লোভ ইত্যাদি বিষয়বস্তুক ধাৰ্মিক লোকৰ বিৰুদ্ধে কথা পাতিব নালাগে। আনকি এনে বিষয়বস্তু তেওঁলোকৰ লগত সংযুক্ত হ'ব নালাগে। ঠিক একেদৰে বাজে কথা, উদ্দেশ্যহীন আলোচনা, উপহাস কৰা আৰু আদিৰ পৰা আঁতৰি থাকিব লাগে। কেৱল প্ৰভুৰ প্ৰশংসা কৰাটোৰেই সঠিক বিষয় হ'ব। "কিন্তু ব্যভিচাৰ আদি কৰি সকলো অশুচি কৰ্মৰ বা লোভৰ নামো তোমালোকৰ মাজত উচ্চাৰিত নহওক। পবিত্ৰ লোকৰ এয়ে উচিত আৰু অশ্লীলতা, উন্মত্ত বলকনি, খেজেলিওৱা, এনে অনুচিত ব্যৱহাৰো তোমালোকৰ মাজত নহওক" (ইফিচীয়া ৫ঃ৩,৪)

## (ঙ) যি লোকবিলাকৰ যীচুত অংশ নাই

ব্যভিচাৰ, অশুচি আৰু ধন লুভীয়াবিলাকে ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰিব। "অশ্লীলতা, উন্মত বলকনি, খেঁজেলিওৱা এনে অনুচিত ব্যৱহাৰো তোমালোকৰ মাজত নহওক, বৰং ধন্যবাদ হওক, কিয়নো খ্ৰীষ্টৰ আৰু ঈশ্বৰৰ ৰাজ্যত যে কোনো ব্যভিচাৰীৰ বা অশুচি লোকৰ বা লুভীয়া অৰ্থাৎ দেৱপূজকৰ অধিকাৰ নাই, তাক তোমালোকে নিশ্চয়কৈ জানা" (ইফিচীয়া ৫ঃ৪, ৫)। স্বৰ্গীয় কবি, থিৰুভাল্লুভাৰে কৈছিল, "পৰিস্কাৰ গাল বা দীঘল চুলি যদি লুপ্ত হয়, যাক জগতে ঘৃণা কৰে।" পৰিস্কাৰ মুখমণ্ডল আৰু দীঘল দাঢ়িক লৈ ভুল বৰ্ণনা নকৰিব। নিষিদ্ধ বস্তুবিলাকত জড়িত নোহাৱাটোৰেই ভাল। "এই মানুহবিলাকে ওঁঠেৰে মোক সন্মান কৰে, কিন্তু তেওঁবিলাকৰ হৃদয় মোৰ পৰা দূৰৈত থাকে আৰু মানুহৰ বিধিবোৰ উপদেশ বুলি শিকাই, তেওঁবিলাকে অনৰ্থকৰূপে মোক ভক্তি কৰে" (মথি ১৫ঃ৮, ৯)।

## (চ) জীৱিত বলিদান

পাঁচনি পৌলে আমাৰ শৰীৰক এটা জীৱিত বলিদান, পবিত্ৰ, ঈশ্বৰলৈ গ্ৰহণীয় বুলি উৎসৰ্গ কৰিবলৈ কৈছে, এয়েই যুক্তিসংগত আৰাধনা। "আৰু তোমালোক জগতৰ অনুৰূপ নহবা কিন্তু যিহতে ঈশ্বৰৰ ইচ্ছা অৰ্থাৎ উত্তম, গ্ৰহণীয় আৰু সিদ্ধ কি, তাক পৰীক্ষা কৰি জানিবা, তাৰ কাৰণে তোমালোক নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা" (ৰোমীয়া ১২ঃ২)। আমি জগতৰ অনুৰূপ হ'বলৈ বন্ধ কৰিব লাগে আৰু পৰিবৰ্তন হ'বলৈ আৰম্ভ লাগে।

এই চৰম অভিজ্ঞতাটো বহুত কঠিন হ'ব পাৰে; কিন্তু যি লোকসকলে এই অভিজ্ঞতালৈ আহে এতিয়াও ঈশ্বৰৰ মাত শুনিব পাৰে। ঈশ্বৰৰ তম্বুখন মানুহৰ মাজত আছে। তেওঁ তেওঁবিলাকৰ মাজত নিবাস কৰিব। তেওঁবিলাকেই তেওঁৰ লোক হ'ব। "...ঈশ্বৰ নিজে তেওঁবিলাকৰ সঙ্গী হ'ব" (প্ৰকাশিত বাক্য ২১ঃ৩)। এই পৃথিৱীতো ঈশ্বৰে আমাক এনে অভিজ্ঞতা দিয়ক আমেন।

❖❖❖❖❖

### - উদ্ধৃতি -

খ্ৰীষ্টধৰ্ম ভাৰতত ২০০০ বছৰৰ পৰা আছে। এই ধৰ্ম ইউৰোপৰ লোকৰ যোগেদি অহা ধৰ্ম নহয়। এই ধৰ্ম সাধু থোমাৰ যোগেদি প্ৰথম শতিকাত আহিছিল। খ্ৰীষ্টধৰ্ম শ্বেত ধৰ্ম নহয়।

"মনত পেলাওক, সাধু থোমা যেতিয়া ভাৰতলৈ আহিছিল তেতিয়া ইউৰোপৰ অনেক দেশবিলাকে খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰাই নাছিল আৰু গতিকে সেই যি ভাৰতীয় লোকসকলে তেওঁলোকৰ খ্ৰীষ্টধৰ্ম তেওঁলৈ চিহ্ন দিছে ইউৰোপীয় দেশসমূহৰ অনেক খ্ৰীষ্টধৰ্মীয় লোকসকলতকৈয়ো অধিক তেওঁলোকৰহে দীঘলীয়া ইতিহাস আৰু উচ্চতৰ উৎপত্তিআছে। আৰু এইটো এটা আমাৰ বাবে গৌৰৱৰ কথা যে এইদৰে ঘটিছিল।"

**- ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি**
**১৮ ডিচেম্বৰ, ১৯৫৫**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

**A good opportunity to get Echo of His Call monthly magazine at free of cost**

If you could send the addresses of your friends / relatives through post, letter, e.mail, WhatsApp or phone to us, we will dispatch **Echo of His Call** monthly magazine to them at free of cost.

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th AUGUST 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**